স্মৃতি ৰোমন্থনেৰে নষ্টালজিক হৈ পৰিল প্ৰাক্তন ছাত্ৰ ছাত্ৰী ☐ কথা সাহিত্যিক য়েছে দৰজে ঠংচিয়ে উন্মোচন কৰে স্মৃতিগ্ৰন্থ 'স্মৃতিৰ সোণালী দুৱাৰ'

☐ গ্ৰন্থ উন্মোচনী সভাত ১৪ খন গ্ৰন্থ উন্মোচন

# সোণালী জয়ন্তী সমাৰোহৰ দ্বিতীয় দিনত উদুলি মুদুলি ছয়দুৱাৰ মহাবিদ্যালয়

ছয়দুৱাৰ মহাবিদ্যালয়ৰ পৰা পল্লৱ বৰা আৰু দীপ কুমাৰ শৰ্মা, ২ নৱেম্বৰ ঃ উত্তৰ অসমৰ অন্যতম উচ্চ শিক্ষানুষ্ঠান গহপুৰৰ ছয়দুৱাৰ মহাবিদ্যালয়ৰ গৌৰৱোজ্জ্বল সোণালী জয়ন্তী সমাৰোহৰ দ্বিতীয় দিনা আজি উদুলি মুদুলি হৈ পৰে মহাবিদ্যালয়খনৰ চৌহদ। পুৱা ১০ বজাত উদযাপন সমিতিৰ সভাপতি তথা অৱসৰপ্ৰাপ্ত অধ্যক্ষ গজেন বৰুৱাই বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে গ্ৰন্থ উন্মোচনী সভাৰ। উদযাপন সমিতিৰ প্ৰধান সম্পাদক তথা মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° অঞ্জন কুমাৰ ওজাই আঁত ধৰা সভাখনত সোণালী জয়ন্তী সমাৰোহৰ মূল স্মৃতিগ্ৰন্থৰ লগতে আন তেৰখন গ্ৰন্থ উন্মোচন কৰা হয়। অৱসৰপ্ৰাপ্ত অধ্যাপক দিগন্ত গোহাঞিৰ মুখ্য সম্পাদনা আৰু শিক্ষাবিদ জগদীশ শৰ্মা আৰু ড° মাধৱ বৰাৰ সম্পাদনাত প্ৰকাশ কৰি উলিওৱা মুল স্মৃতিগ্ৰন্থ "স্মৃতিৰ সোণালী দুৱাৰ" উন্মোচন কৰে বিশিষ্ট অসমীয়া সাহিত্যিক অৰুণাচলৰ বাসিন্দা য়েছে দৰজে ঠংচিয়ে । কথা সাহিত্যিক ঠংচিয়ে স্মৃতিগ্ৰন্থ খন উন্মোচন কৰি কয় যে স্মৃতিগ্ৰন্থ এখন এটা অনুষ্ঠানৰ দলিল স্বৰূপ। ছাত্ৰ ছাত্ৰী সকলৰ গৱেষণাৰ সমল হব পাৰে স্মৃতিগ্ৰন্থ। অসমত বৰ্তমান যথেষ্ট সংখ্যক লেখক কবিৰ সৃষ্টি হৈছে। গল্প, কবিতা, প্ৰবন্ধৰ যথেষ্ট সমাদৰ অসমত। সাহিত্যৰ উৰ্বৰা পথাৰত নিতৌ জন্ম হোৱা প্ৰতিভাৱান কবি সাহিত্যিক আৰু লেখকৰ সমাহাৰে অসমৰ সাহিত্যৰ ক্ষেত্ৰখন চহকী কৰি তুলিছে। কিন্তু অৰুণাচলত এখন কিতাপ প্ৰকাশ কৰিবৰ কাৰণে লেখকৰ যথেষ্ট অভাৱ। সমাৰোহৰ ফনিন্দ্ৰ শৰ্মা সোঁৱৰণি মঞ্চত অনুষ্ঠিত হোৱা গ্ৰন্থ উন্মোচনী সভাত ঠংচিয়ে ভাষণত পুনৰ কয় যে সাম্প্ৰতিক সময়ত ফেচবুকে যথেষ্ট সৃষ্টিশীল প্ৰতিভাক পৰিচিত কৰি তুলিছে। নিজৰ সৃষ্টিৰাজিক মুহূৰ্ততে তুলি ধৰিছে সহস্ৰজনৰ হাতত। ফেচবুকত প্ৰতিভাৱান বহু অসমীয়া কবি সাহিত্যিকৰ চৰ্চা দেখা পাইছো । এইয়া ভাল খবৰ। তেওঁলোকে হৃদয়ৰ অনুভৱেৰে শব্দৰ জাল গুঠি সৃষ্টি কৰা কবিতা আৰু গল্পই প্ৰাণোচ্ছল কৰি তুলিছে অসমীয়া কাব্য আৰু গদ্যৰ ক্ষেত্ৰখন। একেটা অনুষ্ঠানতে ছয়দুৱাৰ মহাবিদ্যালয়ৰ ২০১৬-১৭ বৰ্ষৰ মহাবিদ্যালয় আলোচনী, প্ৰাক্তন ছাত্ৰ ছাত্ৰী সকলে সোণালী জয়ন্তী উপলক্ষে প্ৰকাশ কৰি উলিওৱা স্মৃতি গ্ৰন্থ 'সোণালী সংগম', অধ্যাপক ভাস্কৰজ্যোতি গগৈৰ' অনুচ্চ নিনাদ', নগেন শৰ্মাৰ 'ন শ্বইচৰ অংকুৰ বিচাৰি', মুনিন কুমাৰ দাস আৰু স্বপ্না কাকতিৰ 'গ্লীমচেছ অব মেমৰিয়েল ইভেন্টচ অব ছয়দুৱাৰ কলেজ', গোপাল নেৱাৰৰ 'মুক্তি সংগ্ৰামৰ সেনানী', পুষ্প বৰুৱা ভূঞাৰ 'কঁাচিয়লি ৰদৰ দৰে', বিপিন সন্দিকৈৰ তিনিখন গ্ৰন্থ ক্ৰমে না আঁকিবা, প্ৰভাতি ৰদৰ একাজলি আৰু অনুভৱ, ভৈৰৱী তামুলীৰ শিশু গ্ৰন্থ 'আৱাৰ ফেষ্টিভেল', মহাবিদ্যালয়ৰ শিক্ষাবিভাগৰ গৱেষণাপত্ৰ, মহাবিদ্যালয়খনৰ নিউজ লেটাৰ কে ধৰি চৌধখন গ্ৰন্থ পৃথকে পৃথকে উন্মোচন কৰা হয়। সাহিত্য অকাডেমী বঁটা প্ৰাপক জ্ঞান পূজাৰী, কবি সাংবাদিক নগেন কোঁৱৰ, শোণিতপুৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ত্ৰয় ক্ৰমে খগেন গোস্বামী, বংশী বৰা আৰু গুন বৰুৱা, বিটিএডিৰ যুটীয়া সচিব দীনেশ চন্দ্ৰ বড়ো আৰু অৱসৰ প্ৰাপ্ত অধ্যাপক মাণিক গগৈ অনুষ্ঠানটো উন্মোচক হিচাপে উপস্থিত থাকি আটাইকেইখন গ্ৰন্থ উন্মোচন কৰে। ইয়াৰ পিছতে প্ৰমীলা দেৱী সোঁৱৰণী মঞ্চত অনুষ্ঠিত হয় প্ৰাক্তন ছাত্ৰ ছাত্ৰী




সমাৰোহ। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অঞ্জন কুমাৰ ওজাই আদৰণি ভাষণ আগবঢ়োৱা অনুষ্ঠানটো উদ্বোধন কৰে প্ৰাক্তন ছাত্ৰ তথা অৱসৰপ্ৰাপ্ত ন্যায়াধীশ কনক শৰ্মাই। অধ্যাপক ড°.মাধৱ বৰাই সামগ্ৰীকভাবে আঁতধৰা অনুষ্ঠানটোৰ আৰম্ভণিতে কালি মৃত্যু ঘটা মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰী তথা বৰঙাবাৰী উচ্চ বুনিয়াদী মজলীয়া বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী স্মৃতিৰেখা বৰাৰ আত্মাৰ সদগতি কামনাৰে একমিনিট সময় মৌন প্ৰাৰ্থণা জনোৱা হয়। সমাৰোহৰ সঞ্চালক মণ্ডলী হিচাপে প্ৰাক্তন ছাত্ৰ তথা সাম্প্ৰতিক সময়ত ৰাজ্যৰ বিভিন্ন ক্ষেত্ৰত প্ৰতিষ্ঠিত ব্যক্তি ক্ৰমে মদন চন্দ্ৰ ভূঞা, চন্দিকা দত্ত কোঁৱৰ, সদা বৰা, মৃণাল শইকীয়া, কিশোৰ সিং ৰাজপুট, বিৰিঞ্চি বৰা, ৰশ্মিৰেখা শৰ্মা, জিন্টু গোঁহাই,আৰু দিনেশ চন্দ্ৰ বড়োৱে অংশগ্ৰহণ কৰি এৰি অহা দিনৰ মধুৰ স্মৃতি ৰোমন্থন কৰি নষ্টালজিক হৈ পৰে। এটি সুমধুৰ সমবেত সংগীতেৰে প্ৰাক্তন ছাত্ৰ ছাত্ৰী সকলে আৰম্ভ কৰা অনুষ্ঠানটোত বিভিন্নজনে সাংস্কৃতিক কাৰ্যসূচী প্ৰদৰ্শন কৰি নান্দনিক ৰূপ প্ৰদান কৰে অনুষ্ঠানটোক। নিশালৈ পুনৰ সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰে প্ৰাক্তন ছাত্ৰ ছাত্ৰী সকলে।

Scanned with Oken Scanner